

স্থাপিত : ১৯৮৯
অৰুণজ্যোতি
হাতে লিখা আলোচনী
দ্বিতীয় সংখ্যা, ২ অক্টোবৰ 2020
অৰুণজ্যোতি যুৱ সংঘৰ উদ্যোগত।

# : শ্ৰদ্ধাঞ্জলি :

আমাৰ মাজৰ পৰা অকালতে হেৰাই যোৱা
সংঘৰ এগৰাকী আগৰণুৱা সদস্যা

৺ জুনি সোনোৱাল-লৈ

আমি প্ৰণাম আৰু শ্ৰদ্ধাঞ্জলি যাচিছো।

॥ তুমি অমৰ হোৱা ॥

॥ জনগণৰ মাজত জীয়াই থাকা ॥

* * *



# ঃ সম্পাদনা সমিতি ঃ



উপদেষ্টা : পাপু সোণোৱাল
কল্পজিৎ সোণোৱাল
মৃদুল সোণোৱাল

সভাপতি : সুস্মজিৎ সোণোৱাল

আলোচনী সম্পাদক : কৰিশ্মা, ভূপেন সোণোৱাল ।

বেটুপাত : লুনা সোণোৱাল

সদস্য সদস্যা : নিতু, মানস, ৰিটালী, সৰ্বা, পপী, বিমলী, পল্লৱী

# সম্পাদকীয় একলম



সাহিত্য-সংস্কৃতি এটা জাতি বা এখন সমাজৰ দাপোন তথা উত্তৰণৰ বাটকটীয়া। নিজৰ ভাষা, সাহিত্য-সংস্কৃতিয়েহে এটা জাতিক পূৰ্ণাংগ জাতিৰূপে গঢ়ি তোলে। সমাজৰ শান্তি-সম্প্ৰীতি আৰু শিক্ষা প্ৰচাৰৰ ক্ষেত্ৰত বা এখন উন্নয়নশীল সমাজ গঢ়াৰ ক্ষেত্ৰত সাহিত্যৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সাহিত্যই এটা জাতিক পোহৰৰ দিশে লৈ যাব পাৰে। সেয়ে আমাৰ এই অঞ্চলটো যাতে সাহিত্যৰ দ্বাৰা কিছু উন্নতিৰ বেঙনি প্ৰকাশ পায়, তাৰ বাবে গ্ৰন্থ-আলোচনীৰ জৰিয়তে আমি ন ন সৃষ্টি কৰিছো।

বিভিন্ন ঘাট-প্ৰতিঘাটৰ মাজেৰে আমাৰ সংঘই এখন হাতে লিখা কবিতাপুথি উলিওৱাৰ প্ৰচেষ্টা চলাইছে। উদ্দেশ্য আমাৰ এই গ্ৰামাঞ্চলৰ শিশু তথা ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ সাহিত্য প্ৰতিভাসমূহ গল্প, কবিতা, সাধু আদিৰ প্ৰকাশৰ মাজেৰে এখন উপযুক্ত মঞ্চ পোৱাৰ লগতে তেওঁলোকে ভাষা-সংস্কৃতি বিকাশৰ বাবে অৰিহণা আগবঢ়াব পাৰে।

কবিতাপুথিখন সম্পাদন কৰোঁতে বিভিন্ন ঘাট-প্ৰতিঘাট অতিক্ৰম কৰিবলগীয়া হোৱাত কিছু দোষ-ত্ৰুটি থাকি যায়। যিসকল ছাত্ৰ-ছাত্ৰী বা যুৱক-যুৱতীয়ে আমাক লিখনি দি সহায় কৰিলে আৰু লগতে সম্পাদনাৰ সহযোগীসকলক আমাৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

# অৰুণজ্যোতি যুৱ সংঘৰ সভাপতি ও সম্পাদকৰ একলম:



ভেৰেলী সোনোৱাল গাঁৱৰ অৰুণজ্যোতি যুৱ সংঘৰ জন্ম হৈছিল নিজৰ গাঁৱৰ লগতে অঞ্চলৰ ছাত্ৰ-ছাত্ৰী, কণ-কণ মইনা-মাইনী তথা যুৱক-যুৱতীসকলক সুসংগঠিত কৰি তেওঁলোকৰ শাৰীৰীক, মানসিক, বৌদ্ধিক, সাংস্কৃতিক দিশসমূহ আগুৱাই নিয়া। তেনে উদ্দেশ্য আগত ৰাখি "কবিতাৰ গুঞ্জন" অনুষ্ঠানটিৰ উদ্‌যাপন কৰা হৈছে।

ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য প্ৰতিভাবোৰ গল্প, কবিতা, সাধু আদিৰ জৰিয়তে যাতে প্ৰকাশ ঘটে তাৰ বাবে এমন উপযুক্ত মঞ্চসৃষ্টি কৰাৰ লগতে ভাষা-সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত যাতে ভৱিষ্যতে আগবাঢ়ি যাব পাৰে তাক কেন্দ্ৰ কৰি এক নৱ প্ৰচেষ্টা হাতত লোৱা হৈছে। এমন হাতে লিখা "কবিতাপুথি"ৰ দ্বাৰা লুপ্ত প্ৰতিভাবোৰ বিকাশ কৰাৰ পদক্ষেপ লোৱা হৈছে। "অৰুণজ্যোতি" নামৰ হাতে লিখা কবিতাপুথি খন প্ৰকাশৰ বাবে প্ৰয়োজনীয় পুঁজি তথা সং দিহা-পৰামৰ্শ, গুৰুত্বপূৰ্ণ সিদ্ধান্ত প্ৰদান কৰাৰ বাবে সেই সকল ব্যক্তিৰ ওচৰত তথা সম্পাদনা সমিতিৰ ওচৰত আমি চিৰ কৃতজ্ঞ হৈ ৰম।

তাৰোপৰি, সংঘৰ বিভিন্ন কাম-কাজত সহায় হাত আগবঢ়োৱাসকলৰ ওচৰত আমি চিৰ ঋণী। আশা কৰোঁ অনাগত দিনত আপোনালোকৰ দিহা-পৰামৰ্শ, সহায় সহযোগিতা পাই আগুৱাই যাম। শ্ৰদ্ধাৰে ——

যুটীয়া সম্পাদক

জয়তু ভেৰেলী সোনোৱাল গাওঁ। কৰিশ্মা সোনোৱাল।

জয়তু অৰুণজ্যোতি যুৱ সংঘ।। নৃপেন সোনোৱাল।

# :ৰোগ:

শ্ৰী সাত্বীয় কুমাৰ সোনোৱাল



আজি সভ্যতাৰ শিকলিত ৰোগৰ তাণ্ডৱ
স্নেহৰ বান্ধোন বোৰও দেখোন স্বাৰ্থৰ আঁচলত
চৌদিশে প্ৰতিযোগিতা, কেৱল ধ্বংসৰ লালসাত
চিৎকাৰ নৱ যুগৰ নৱ চিন্তাৰ আমি শ্ৰেষ্ঠ জীৱৰ অলিকাত
কিন্তু আজি সহানুভূতি
মিলিমিল আজি মানৱ জাতি
ধৰ্ম কিম্বা বিলাসীতাৰ সাগৰত তীব্ৰ নিমগ্ন আমি,
মাটিৰ মানুহ আজি শূণ্যত ৰাজত্ব
প্ৰশ্ন হয়, , ..
জানো নেকি পাহৰি নিজৰ অস্তিত্ব?

আত্মনিৰ্ভৰতাৰ আজি সময় তোদি
তুমি নোপোৱা গঢ়িবলৈ নিজক হেৰোৱাত,
দেখা পাওঁ মুখাৰ আঁৰত থকা চিন্তা বোৰ
ভাৱ হয়, ক্ৰমান্বয়ে গতিশীল যেন
আদিমতম
যুগলৈ॥



## : এছ টি :

শ্ৰী কল্লজিৎ সোনোৱাল

মই এছ, টি
মই গাহৰি খাওঁ
ঘৰত সকাম পাতিলে
ঘৰত মদ বনাই, মদ খাওঁ
ঘৰলৈ অহা আলহীক মদ একেন যাচি খাওঁ।
সেইবুলি আমি অভদ্ৰ নহয়, নহয় কোনো জংঘলী
আইন, আদালত এইবোৰ পৰা আমি বহুত আঁতৰত থাকো
কিবা অসুবিধা হলে গাওঁবুঢ়া দাইটিৰ কাষ চাপো
নামঘৰেই আমাৰ আদালত
গাওঁবুঢ়া দাইটি আৰু গাঁৱৰ জেষ্ঠজনেই আমাৰ উকিল
সমস্যা। মিমাংসাৰ বাবে দিব নালাগে কোনো মাননি।
আমাৰ ভাষাত নাই কোনো কোমলতা
মদকে মদ বুলিয়েই কওঁ
সাজ বুলি নকওঁ
মৌ মিঠা মাতেৰে আমি মাতিব নাজানো
কিন্তু কোনোবা বিপদত পৰিলে আমি সদায়ে
সংগ দিওঁ।
জনজাতিবোৰ জংঘলী, অন্ধবিশ্বাসী বুলি
আনে হাঁহে
কিন্তু আমি কোনো জংঘলী নহয়।
নহয় আমি অন্ধবিশ্বাসী।
আমাৰ কৃষ্টি-সংস্কৃতি আমি জীয়াই ৰাখিছোঁ
তাৰ বাবে আমি দুই এটা পৰম্পৰাক মানি চলিছোঁ।

মই এছ, টি
সমাজে আমাক হাঁহে
মেৰিট লিষ্টত নাম ওলালেও
কুটাত পাইছে বুলিয়েই ভাবে
মই এছ. টি
সেই বাবেই মোৰ প্ৰাণৰ প্ৰেয়সী জনীক
হেৰুৱালো।
ঘৰত তাই বিয়া কথা চলিছে
তাই বাৰে বাৰে আমাৰ প্ৰেমৰ কথা
কৈছে কিন্তু তাই ঘৰত.....
আমাৰ প্ৰেমৰ কথা কোনেও মানি লব
নিবিচাৰে
তাইক কোনোপধ্যে মোলৈ বিয়া নিদিয়ে.....
কাৰণ মই এছ. টি।



# প্ৰতাৰণা

শ্ৰীমতী দীপশিখা সোণোৱাল
শ্ৰেণী : দশম



নকৰো আশা মই এই সংসাৰৰ
দৈত্যৰূপী মানৱৰ পৰা
অত্যাচাৰ, হিংসাৰে জৰ্জৰিত মানৱে সুবিধা পালেই
কেৱল প্ৰতাৰণা ।
নকৰো ভয় মই কোনো ভূত পিশাচলৈ
কোনো হিংস্ৰ পশু-পক্ষীলৈ
কিন্তু,
ভয় লাগে মাথো বহুৰূপী মানৱলৈ
নাজানো কিয় লাগে এই ভয় ।
নলগাও কোনো অচিন কাচৰ খোৰা
যিহেতু চিনা কাচেও দেখোন মোক কৰে প্ৰতাৰণা ।
ভাবত বিভোৰ হৈয়ো, নাপাও পাৰা-পাৰ
কাক কৰো আজি মই আশা-ভৰসা ।
আজি দেখোন ভয় লাগে আপোন জনকো কৰিব আশা
স্বাৰ্থসিদ্ধি হলেই তেওঁ কৰিব প্ৰতাৰণা ।
নহও মই অকৰ্মণ্য মুক্তনো কাৰো গৰিহনা
নিদিও সুবিধা কাকো কৰিব প্ৰতাৰণা ।
হে' আই ধৰিত্ৰী শত-সহস্ৰ প্ৰণামো কৰি
কৰিলো তোমাকে মোৰ জীৱনৰ সাৰথি
লোৱা তুমিয়েই মোক কোলাতে সাৱটি ।।



# স্বদেশ

শ্ৰী মানসজ্যোতি সোনোৱাল
শ্ৰেণী : দশম ।



এইটোৱেই মোৰ জীৱন
যত পাওঁ অতুলনীয়
শস্য-শ্যামলা পৰিৱেশ
প্ৰকৃত সুষম....
জনসমাজৰ মাজত
হাঁহি আৰু হাঁহি
আজি নাই সেই অসম
নাই সেই সমাজ
কোটি কোটি জনতাৰ মাজত
যুদ্ধৰ আহ্বান,
জনতাৰ জয়গান,
হে মোৰ শ্বহীদ বীৰ লাচিত
আজিও জনাওঁ তোমাক
কোটি কোটি প্ৰণাম ।।



# বিষাদ

মাইনা সোনোৱাল
তিনিচুকীয়া

নিঝান দুপুৰীয়া তইৰ কথাকে
ভাবি বহি আছোঁ;
এৰা! তইয় নুবুজিলে মোৰ
বুকুৰ যন্ত্ৰণাৰ কথা ।
বুকুত জ্বাল মম পোৰাইছি
পোৰাই পোৰাই শেষ হৈ আহিছি
ক্ৰমাশয়ে মম ডাল ।
উহ..... ....
তইৰ কথা ভাবলে বুকুখন দুমায় উঠি
কি থাকবুঅ মন নিঝায়
মনত নুপুৰি নে তইৰ
মোৰ হৃদে পাৰা কথাবোৰ,
তইয় আহবে আহবে বুলি
বহুদিন বাট চালো;
অথচ....
তইয় নাহিলে,
আজিও তইৰ বাবে
নিঝান দুপৰীয়া জ্বলন ॥



# গাঁৱলীয়া লৰাটো... ~শ্ৰী কংকু সোনোৱাল।



সহজ-সৰল গাৱলীয়া লৰাটো
জীৱনত সফল হ'বলৈ হাজাৰ কষ্ট আৰু ত্যাগক
মূৰ পাতি লৈ, এখোজ-দুখোজ আগুৱাব খুজিছো
জানোচা এটা চাকৰী পাওঁ
চালা!
ক্ষমতা আৰু ধনৰ বলীবানে সহজ-সৰল চহা মানুহৰ
আৱন্তিত চাকৰিটো কিনি লয়।।

পানী-বানপানী জন্মলগ্নৰ পৰিচয় ন-নদী
হাজাৰ সপোন সিচি দিওঁ, পলশোৱা চলে সপোনবোৰ
জানোচা সজীৱ কৰি তুলিব....

নাই আই-বোপাই হেপাহেৰে কৰি মোৱা খেতি দৰাও
তচ-নচ কৰি থৈ গুচি যায়।।
সকলো আশা, সপোন নদীৰ বুকুত কুল্ কুল্ কৈ
উটি-ভাহি যায়।।
চালা!
সম্ভাৱনাময়ী এটা জীৱন অকালতে মৰহি ৰয়।।

— * * * —

# স্মৃতিৰ টোপোলা

জুলিকা বৰা চোনোৱাল ।
পাণীতোলা

আজি বহুদিনেই হ'ল,
জোনাকবোৰৰ সৈতে
হেঁপাহ পলুৱাই কথা নপতাৰ
আন্ধিয়াৰ, ৰিৰ ৰিৰ বতাহত,
কঁকাল ভৰি পৰা চুলিৰে ঢৌ মেলাই,
কণমানি মোৰ চোতালখনিত আগা-দেৱা কৰি,
বহুদিনেই হ'ল দেখুন
বিশাল আকাশৰ তৰাবোৰৰ সৈতে
কথা নপতাৰ ।
কিমান যে দিন হ'ল
বৰষুণৰ টোপালবোৰত লাগি থকা
সৌন্দৰ্যতাক উপভোগ কৰিব নোপোৱাৰ ।
কিনো কৰিব পাৰিম....
এয়াই হয়তু বাস্তৱতা
ভাল লগাবোৰ ভালপোৱাবোৰৰ যেন
আমো প্ৰতি প্ৰতি মিঠা সপোন
থাকক দিয়া, সেইবোৰ স্মৃতি হৈয়ে
কোনো কথা নাই ।
পাৰিছে এতিয়া পৰিস্থিতিৰ লগত নিজকে খাপ খুৱাই ল'ব
পাৰিছো মই যাচাকৈয়ে নিষ্ঠুৰ সময়ৰ দ্বাৰা পৰিচালিত
প্ৰতি যন্ত্ৰ ।



# মোৰ আশা

শ্ৰীমতী ইন্দিৰা সোনোৱাল
শ্ৰেণী : দশম ।



মই তৰাৰ দৰে হ'ম
আকাশত জিলিকি ৰ'ম ।
মই চন্দ্ৰৰ দৰে হ'ম
পৃথিৱীক পোহৰ বিলাই ৰ'ম ।
মই কনকলতাৰ দৰে হ'ম ।
অসম জিলিকাই ৰ'ম ।
আছিল জ্যোতি, আছিল বিষ্ণু
সকলোৱে বাঢ়িলে অসমৰ মান ।
ময়ো বাঢ়িম অসমৰ নাম ॥



# ক'ৰ'না

শ্ৰীমতী ৰিতালী সোনোৱাল
শ্ৰেণী : নৱম ।



ক'ৰ'না .....
কিয় এনে কৰিলা ?
সভ্যতা কাঢ়িলা
জীৱন কাঢ়িলা
লিখি গ'লা আকৌ ক'লা ইতিহাস
ক'ত আপোনজন হেৰাই গ'ল
ক'ত ভাই-ভনী নিৰাশ্ৰয়া হ'ল
কিমান যে নিৰন্নুৱা জীয়াতে নিঃশেষ হ'ল
ক'ৰ'না কিয় বাৰু এনে কৰিলা ?
ক'ৰ'না তুমি বুজাই দিলা।
বিজ্ঞানৰ চমৎকাৰ
ভাঙি দিলা ধৰ্ম-বৰ্ণৰ অহংকাৰ
আকৌ লিখি গ'লা বিস্মিত এক
ক'লা ইতিহাস....



# এটি সোণালী পুৱা....




এটি সোনালী পুৱা আহিল সাজি-কাচি
তুলিলে ধৰা শুৱনি কৰি,
পূব আকাশত বেলিটিয়েও যে
সিঁচিলে ৰং-ৰাঙলী কৰি ।
সেই ৰূপ দেখি পখীবোৰেও
জুৰিলে গীতৰ কলি ॥

গীতৰ সুৰতে নাচি-বাগি আহিল
ওচাটি মৃদু-মলয়া।
বিয়পাই দিলে ফুলৰ সুৰভি
চৌদিশে আমোল-মোলাই
সকলোৰে মন পুলকিত হ'ল
প্ৰকৃতিৰ শোভা চাই ॥




শ্ৰীমতী ঈষাৰাণী সোণোৱাল ।
শ্ৰেণী : নৱম ।

# মহামাৰী কৰোণা

শ্ৰী জ্যোতিপ্ৰিয়ম সোনোৱাল
শ্ৰেণী ঃ নৱম ।

হেৰা ! কৰোণা ক'ৰ পৰা বাৰু আহিলা
পৃথিৱীত জন্মালে নিজকে বদনাম কৰিলা
কৰোনা ভাইৰাছ বুলি নাম লৈ
ঘূৰি ফুৰি আমাৰ প্ৰাণ কাঢ়িছা
তুমি অদৃশ্য শত্ৰু হৈ আমাৰ
অশান্তি কৰিছা
তুমি আমাক মাস্ক পিন্ধিবলৈ
বাধ্য কৰিলা
নহ'লে আমাৰ প্ৰাণ বিচৰা
মানুহৰ মাজত সামাজিক দূৰত্ব বঢ়ালা
হয়তো তুমি আমাক ধ্বংস কৰিহে এৰিবা ॥






# পূৰ্ণিমা ৰাতি

শ্ৰীমতী চিম্মাশ্ৰী সোনোৱাল
শ্ৰেণী : নৱম

পূৰ্ণিমা ৰাতি
নিজানত আকাশলৈ চাই,
তৰা গুনিবলৈ
কিমান যে ভাল লাগে ।
সেই দিনা-ৰাতি জোনাক আমোন জোনাক
লেমৰ পোহৰত বহি স্বচ্ছ বায়ু লবলৈ পায়
মন প্ৰাণ ভৰি যায় ।
কিমান যে ভাল লাগে সেইদিনা ৰাতি ।
মন প্ৰাণ ভৰাই গাবলৈ
মন যায় মোৰ গাবলৈ হৃদয়ৰ গান ।



# : শৰতৰ জোনাক ৰাতি :

শ্ৰী নৃপেন গোমোৱাল

শৰতৰ জোনাক ৰাতি
সুকলি আকাশৰ তলত বহি
লিখো সাপো
ৰঙীণ সপোন
স্বাৰ্থৰ পৃথিৱীত
মানৱীয়তাৰ সপোন লৈ,
গঢ়িব খোজো এক
ৰঙীণ সপোনৰ
স্বাৰ্থহিন সমাজ,
য'ত নাই ভেদ ভাব
নাই কোনো উচ্চ-নীচ,
ঐক্যতাৰ বান্ধোনেৰে
থকালো যেন একত্ৰিত ।।



# এগছি বন্তি

পাৰী সোনোৱাল
দ্বাদশ শ্ৰেণী



উমি উমি জ্বলি থকা এগছি বন্তি
পোহৰাই তোলা অন্ধকাৰময় পৃথিৱীসমনক
তুমিয়েই হ'লা স্নেহৰ উৎসাৰ
তুমিয়ে হ'লা আমাৰ ভৱিষ্যৎ
তুমি শক্তিমান এগছি বন্তি
আন্ধাৰ বাতৰি কাঢ়িয়াই জ্বলি থাকা
সেই কাতিমাহৰ নিয়ৰৰ কোলাত
জ্বলি থাকা তুমি প্ৰভুৰ আপনাত
উজ্বলি থাকা আন্ধাৰৰ গোপন কোনত
পোহৰাই তোলা আন্ধাকাৰময় পৃথিৱীসমনক
তুমিয়েই বিশ্বাস, তুমিয়েই ভৱিষ্যত
তুমিয়েই বৰ্তমান, তুমিয়েই শক্তিমান
এগছি বন্তি হৈ জ্বলি থকা তুমি বিশ্বৰ বুকুত ।

# আন্ধাৰৰ ৰহস্য

শ্ৰী বিকাশ সোণোৱাল
শ্ৰেণী : নৱম ।

আন্ধাৰৰ মাজেৰে নিশনলৈ চাই
কিবা আছিল চৰাই এটাই
নিৰ পানীখি ঢোঁও নোচোঁও কৰি
উৰি গুচি গৈছে উপৰলৈ ।
হয়তো আন্ধাৰ সদায়েই ৰহস্যময় ।
সৰু জোনাকী পৰুৱা
উৰিছে জ্বলিছে নুমাইছে
হয়তো চেষ্টা কৰিছে আন্ধাৰৰ সৈতে ।
পুহৰ কৰি নাশবলৈ
কিন্তু পৰা নাই সেই কণমানি জোনাকী পৰুৱাটোৱে
আকৌ আন্ধাৰে জুম বান্ধিছে চৌদিশৰে ।
নোৱাৰিব হয়তো জোনাকী পৰুৱাটোৱে অকলশৰে
প্ৰয়োজন হ'ব এজন লগৰীয়াৰে
দুয়োৱে, পুহৰাব আন্ধাৰ ঠাই দশৰে
সেই কাৰণে আন্ধাৰ সদায়েই ৰহস্যময় ।





# পখিলা

শ্ৰীমতী বাৰ্বী সোনোৱাল।
শ্ৰেণী : ষষ্ঠ।

পখিলা পখিলা কʼলৈ যাবা ঘোৰা
ৰঙা নীলা পাখি তোমাৰ বৰ ধুনীয়া।
উৰা ফুলৰ ৰস চুহি আনটো ফুলত পৰা
ৰঙা নীলা পাখি মেলি ফুলৰ পাহিত পৰা।
ৰঙা নীলা পখিলা তুমি
কʼতনো তোমাৰ ঘৰ
কʼতনো তোমাৰ সোণৰ সজা
অতিকৈ মৰমৰ ॥



# অকণি পখিলা

শ্ৰীমতী হিমাদ্ৰী গোনোৱাল
শ্ৰেণী : দশম

অ' অকণি পখিলা
তুমিনো থাকা কত ?
এনে চাইও নাথাকা যে,
অ' অকণি পখিলা
লগ পাবলৈ বিচাৰো তোমাক মই কে
অ' অকণি পখিলা।
তোমাৰ পিছে পিছে থাকোঁগৈ
অ' অকণি পখিলা।
ৰঙীণ ৰঙীণ পাখি মেলি উৰি ফুৰা তুমি
অ' অকণি পখিলা
তোমাৰ ৰঙীণ পাখিৰ ৰংবোৰ
কোনে দিলে আঁকি,
অ' অকণি পখিলা
কব পাৰিবানে মোক তুমি।



# প্ৰনাজৰী

শ্ৰী ক্ষীৰোদ লাহুং



অসম আমাৰ অসমান
সকলো জনগোষ্ঠীৰে সমান
ভাষা সংস্কৃতিয়ে কৰিছে প্ৰমাণ
উত্তৰ পূৰ্ব গিৰিৰ পৰা
বৈ আহিছে লুইতে
অসমত দ্বি-সত্তিত কৰিছে সমানে।
উত্তৰে মিচিং, বড়ো, ৰাভা
পূৰে সোনোৱাল কছাৰী
দক্ষিণে আছে আই
ৰূপৰ তুলনা নাই।
ইতিহাসৰ পৃষ্ঠাতে লিখিলে সালাবাৰি
সিজালে অসমী আইক
প্ৰতিটো জনগোষ্ঠীয়ে বিচাৰিলে
নিজৰ নিজৰ ঠাই
চৰকাৰে আহি মিলৰ সূচি মাৰি
দিলেহি নিজৰ ঠাই।
আজতে আছে বহু উপজাতি
সিহঁতৰ উপায় নাই।
কছাৰী, দেউৰী আৰু আছে তাই
অকেজৰ্ল ভনাজৰীয়ে আছে বাৰু সাই।



# সোনোৱাল কছাৰী

শ্ৰীমতী জেৰিনা ছাদ্দিকে

হে, সুন্দৰৰ পূজাৰী
সোনোৱাল কছাৰী
ভাষা নাই আজি মোৰ
কি দৰে তোমাক জনাওঁ আদৰণি ।
নীলা আকাশৰ দিক্ বলয়ৰ বুকুত
জিলিকি উঠা তোমাৰ জেউতিৰে
আৱৰি ৰাখিছিল গোটেই জগতকে জুৰি
তোমাৰ সেই মোহনীয়া ৰূপ
সময়ৰ এনাজৰী
তোমাৰ চেৰ্য্যা কৃষ্টি
হাইদাং, বগুৰা নাচে খিলিজুলি ।





# জননী আৰ্তনাদ

শ্ৰী ডিম্বেশ্বৰ সোণোৱাল ।

হে নাৰী, তুমি জগত জননী
তোমাৰ গৰ্ভতেই শিতাপী লয়
শত সহস্ৰ বীৰ- বীৰাংগনা ।
তোমাৰ হাতৰ পৰশতে
প্ৰাণ পায় উঠে
নৱ উদ্ভাসিত মানৱ কলি ।
পৃথিৱীত দুৰ্গতি নাশিবলৈ
আহা তুমি আকাশৰ অলকানন্দাৰে
তথাপিতো যেন শুনো
দূৰ-দূৰনিৰ পৰা নিৰৱতা ভেদ কৰি অহা
তোমাৰ আৰ্তনাদ ।
একবিংশ শতিকাতো
নিলাজ মানৱৰ অত্যাচাৰত
লাভ কৰা নাই স্বাধীনতাৰ পূৰ্ণতা ।
তথাপিতো তুমি ভাগৰি নপৰা যেন,
সেই মোৰ জগত জননী
তোমাৰ সুকুমাৰ হাতৰ পৰশতেই
প্ৰাণ পায় উঠক যেন,
জন কল্যাণী, অসুৰ নিৰ্বানকাৰী দুৰ্গতি নাশিনী দেৱী ।



শৰতৰ নিশা

শ্ৰীমতী অনিতা সোণোৱাল
প্ৰকাশক শ্ৰেণী

শৰতৰ নিশা আমোলে-মোলে
শেৱালি ফুলৰ গোন্ধ
অতি মনোৰম সেই নিশা
আছিল কেৱল জোনাকেৰে ভৰা ।
তিৰ্বিৰাই আছিল জোনাকী পৰুৱা
চৌদিশে কৰি তুলিছিল মনোমোহা ,
ফুলনিৰ মাজে-মাজে ঘূৰি-ঘূৰি
ফুলৰ সৈতে নাচি-নাচি বতাহে গাইছিল গান
সেই সুৰত মগ্ন হৈছিল মোৰ প্ৰাণ ,



# Life....

↳ Miss Prerana Sonowal.

Life is a journey,
Let us enjoy it.
Life is a Stream,
Let us flow on it....



Life is a light,
Let us glow it.
Life is full of deads,
Let us do it....



Life is a way,
Let us treat it.
Life is a cath,
Let us lake it....

Life is full of approach-lanity
Let us lake benefits of it
Life is a gift,
Let us open it....

# কনকলতা বৰুৱা

মল্লীকা সোনোৱাল



হে অসমৰ বীৰাঙ্গনা,
ফুলকুমলীয়াতে দেশৰ হকে,
প্ৰাণ আহুতি দিলা ।
তোমাৰ বাবে অসম আজি
জিলিকিছে বিশ্বত
তুমি ত্যাগ কৰিলা সৰ্বস্ব
তোমাৰ বাবে আমি কৰো গৰ্ব ।
সেইদিনা অসমলৈ আহিছিল
এক ঘোৰ অন্ধকাৰ
তোমাক লৈ গ'ল আমাৰ পৰা
হে অসমৰ শ্বহীদ
তুমি যঁতে আছা
সুখেৰে থাকা ।



# হালধীয়া পাখিলা...

↳ শ্ৰীমতী চানী সোনোৱাল।




অ’ হালধীয়া পাখিলা
ক’লৈ বাৰু গৈছিলা?
খাদ্যৰ সন্ধানত তুমি
ফুল-পদুম বিচাৰা।
প্ৰতিটো পুৱাই
তোমাৰ ব্যস্ততাৰে ভৰা,
তথাপিও তুমি ভাগৰি নপৰা।
প্ৰতিটো ফুলৰ কলিত যে
তুমি থাকা বহি,
সেই ক্ষণত দোমিলে
তোমাক কি যে লাগে শুৱনি!
এপাহৰ পৰা আন পাহিলৈ
তুমি যাকা উৰি;
আন এপাহে আকৌ ভাৱি যাকে
তুমি কেতিয়া আহিবা বুলি।
তোমাৰ লগত কথা পাতি
ফুলে বৰ ভাল পায়,
বাটৰুৱাৰ মন তোমালোকক দেখি
বৰ আনন্দ পায়.....।



# গছ-গছনি

↳ শ্ৰীমতী কং কী সোনোৱাল।



গছ-গছনি হৈছে আমাৰ জীৱন ৰক্ষক,
কৰিব লাগিব ইয়াক সংৰক্ষণ।
গছ-গছনিয়ে দিয়ে প্ৰাকৃতিক সৌন্দৰ্য,
যাক নাপালে জীৱ-জগত অসন্তুষ্ট।
ই দিয়ে আমাক অহৰহ খাদ্য,
গছ-গছনিক বচোৱা আমাৰ আছে দায়িত্ব।
গছ-গছনিয়ে দিয়ে জীৱ-জন্তুৰ বাবে খাদ্য,
গছক বচাবলৈ আমাৰ আছে সাধ্য।



গছ-গছনি নাথাকিলে লাগিব জীৱ-জগত হাহাকাৰ,
মানুহে কৰিব লাগিব দুঃসময় পাৰ।
সেয়েহে গছ-গছনি নাকাটিবা অৰ্থে-মৰ্থে,
কাটিলে মৰিব লাগিব অনাহাৰে।
প্ৰতিকে গছ ৰোপণ কৰা,
সুখেৰে জীৱন-যাপন কৰা।

— * * * —

# কলিযুগ

শ্ৰী সৰ্বানন্দ সোণোৱাল

ঘূৰি আহিবনে সেই অতীত,
মানুহে মানুহৰ প্ৰতি থকা ভালপোৱাবোৰ
ৰবাহি নে সেই মানবীয়তা গুণ,
স্মৃতিৰ ইতিহাসত জিলিকিবলৈ ।
সুন্দৰ পৃথিৱীখনৰ মানুহবোৰ বৰ নিষ্ঠুৰ;
মানুহৰ প্ৰতি থকা মূল্যবোধৰ গুণ
হেৰাই গৈছে যেন এই পৃথিৱীত ।
সহজ-সৰল মানৱ হৈ পাৰিছে দানৱ ।
অতি মামো আশা মৃত্যুৰ পূৰ্বে
একতাৰ পৰশ বুলাৰে
মুক্ত কৰো এনে সমাজ ।





# মা....

✍ শ্ৰীমতী মিনা
সোনোৱাল



প্ৰতিটো উশাহত, প্ৰতিটো সময়ত
তুমিয়েইটো মোৰ জীৱনৰ প্ৰেৰণা,
মোৰ জীৱনৰ অনুপম।
তুমিয়েইটো পখিৰীমনৰ ৰঙীণ পোহৰ,
নীলা আকাশত উৰি ফুৰা
চৰাইবোৰ চাবলৈ শিকাইছিলা।
সময়ৰ সোঁতৰ লগে লগে তুমি
অভিমানী জনী যেন হোৱা
মই অভিলাষী হৈ পাৰিছো।
সময় বিচাৰি দিম তোমাক
হৃদয়ৰ জোনাক, দেহৰ ক্ষতিগ্ৰস্ত
তুমি নিদিয়া অভিশাপ
মা তুমি মা হৈ ৰোৱা ।।



— *** —

# শ্ৰেষ্ঠ সময়

শ্ৰীমতী ঝুমী সোনোৱাল
একাদশ শ্ৰেণী



যেতিয়া আমি লগ হৈছিলো
সপোন দেখিছিলো স্তৰনি ঘৰ এসময়
যত উৰিব সুন্দৰ পাৰ্খী ।
সিদিনা পৃথিৱীখনেই হ'ল বেবিলনৰ বাগিচা
যেতিয়া তোমাৰ দুচকু
আৰু গোলাপৰ হাঁহিৰে
সন্মান সৌটি
আমাৰ মাজত গুলেহি
পৰম আনন্দৰে আমি দিলো তাইক
কুঁহিপাতৰ দীক্ষা
আৰু কুঁহিপাতৰ শিক্ষা
তাইৰ বাবেই মই
পাদুলিত আদৰিলো শিৰ গোসাঁই
আৰু এনে এমন সংসাৰে
এনে এক দূৰৰ যাত্ৰাৰে পৰিকল্পনা
আছিল আমাৰ সেই যাত্ৰাৰ যি লক্ষ্য
যেতিয়া আমি তাত
পৃথিৱীখনেই সজাহিছে সেউজীয়া শাৰিতফালে পক্ষীৰ কলৰৱ
তথাপিও আহানিতে সপোন দেখাৰ সেইখিনিয়েই আজিও বুকুত জোলে শ্ৰেষ্ঠ সময় হৈ ।

# ব্যাধি

শ্ৰী: গোপকৃষ্ণ সোনোৱাল
শ্ৰেণী : নৱম



কৰোনাক নাম দিয়া হ'ল
মহামাৰী আটামাৰী ইত্যাদি, কিন্তু
কিজানি কৰবাত মহামাৰী কৰোনাই আমাৰ
উপকাৰ সাধিলে
সময়ৰ কালচক্ৰত হেৰায় যোৱা
স্মৃতিৰ সোঁৱৰালে ।
যান্ত্ৰিক জীৱনৰ পৰা আতৰি
আহি অলপ নীৰৱে জিৰালে
বহু দূৰ আঁতৰত সকলো
ব্যস্ততা পাহৰি ।



কিজানি ই এক সুযোগ
পুনৰ উজ্জীৱিত কৰিবলৈ,
হয়তো কৰোণাই সোঁৱৰালে
আকৌ থলত বহিবলৈ
হয়তো সময় বাঢ়িলে প্ৰকৃতিলৈ
হয়তো কৰোণাই সকীয়ালে
পুনৰ মাটিৰ লগত নিবিড় সম্পৰ্ক গঢ়িবলৈ ।
কিজানি এয়াই সময়ৰ আহ্বান
মহামাৰীৰ প্ৰত্যাহ্বান ।